# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 06-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

ৰাজ্যৰ সাম্প্ৰতিক বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১৮ খন জিলাৰ ৪ লাখ ৪০ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। বিগত ২৪ ঘণ্টাত বানত কোনো লোকে প্ৰাণ হেৰুওৱা নাই বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে। এই বানত ৰাজ্যখনৰ এহেজাৰ ৩০০ ৰো অধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে আৰু প্ৰায় এহেজাৰ ৬০০ হেক্টৰ কৃষিভূমিৰ ক্ষতি হৈছে। ৰাজ্য চৰকাৰে প্লাৱিত অঞ্চলসমূহত উদ্ধাৰ অভিযানৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীক নিয়োজিত কৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ তথ্য অনুসৰি এতিয়াও ৪০ হাজাৰতকৈ অধিক লোকে ১৫৬ টা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। ৰাজ্যখনৰ বিভিন্ন অংশত পথ, ৰে'ল আৰু ফেৰী সেৱা ব্যাহত হৈ থকাৰ বাতৰি পোৱা গৈছে। ইপিনে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ কাচাৰ, হাইলাকান্দি, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড় আৰু চৰাইদেউ জিলাত পাতলীয়াৰ পৰা মজলীয়া ধৰণৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলী বতৰা দিছে।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি বৰাক উপত্যকা ভ্ৰমণ কৰি বান পৰিস্থিতিৰ বুজ লয়। তেওঁ হাইলাকান্দি জিলাৰ কালীনগৰ, পাঁচগ্ৰামকে ধৰি কেইবাটাও আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰে। মুখ্যমন্ত্ৰীয়ে লগতে তাৎক্ষণিকভাৱে সাহায্য বিতৰণত সহায় হোৱাকৈ বানত ক্ষতিগ্ৰস্ত লোকসকলক তেওঁলোকৰ বেংকৰ সবিশেষ আৰু আন প্ৰয়োজনীয় তথ্যসমূহ প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ডº শৰ্মাই এই সময়ছোৱাত হ'ব পৰা বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ আগতীয়া সাৱধানতা হিচাপে আশ্ৰয় শিবিৰত চিকিৎসা প্ৰদানকাৰী দলৰ ব্যৱস্থা কৰাৰ উপৰি অন্যান্য যাৱতীয় সুবিধাসমূহ প্ৰদান কৰাটো নিশ্চিত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰীভূমি জিলাতো আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বন্যাৰ্তসকলৰ সমস্যাৰ বুজ লয়।

ইপিনে ব্ৰহ্মপুত্ৰ আৰু কপিলী নৈৰ বাঢ়নি পানীয়ে পবিতৰা অভয়াৰণ্যৰ ৭০ শতাংশ বনাঞ্চলৰ বুৰাই পেলাইছে। অভয়াৰণ্যখনৰ টুপলুং হাঁহচৰা, পাগলাডুবা, হাদুক, শিলডুবিকে ধৰি কেইবাটাও বন শিবিৰ বানৰ কবলত পৰিছে। বন বিভাগ আৰু অন্যান্য সংস্থাই বন্য প্ৰাণীসমূহৰ খাদ্যৰ অভাৱ নহ'বৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি চোৰাং চিকাৰীয়ে যাতে এই সময়ত সুযোগ লব নোৱাৰে তাৰ বাবেও চোকা দৃষ্টি ৰাখিছে।

০০০০

স্বাধীনতা সংগ্ৰামী তথা অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আজি ১৩৫ সংখ্যক জন্মবাৰ্ষিকীত ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। অসমৰ সমাজ জীৱনৰ সামগ্ৰিক প্ৰগতিৰ বাবে গোপীনাথ বৰদলৈয়ে দেখুৱাই যোৱা আদৰ্শই চিৰদিন অসমবাসীক অনুপ্ৰাণিত কৰি আহিছে। মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতৰত্ন গোপীনাথ বৰদলৈদেৱৰ গভীৰ স্বদেশ প্ৰেম, অসাধাৰণ ব্যক্তিত্ব আৰু দূৰদৰ্শিতাই আমাৰ জাতিক সদায় সমৃদ্ধ কৰি ৰাখিছে বুলি মন্তব্য কৰে।

অসম নাৰী কল্যান মঞ্চৰ সহযোগত চৰকাৰী পেঞ্চনাৰ সন্থা গুৱাহাটী শাখাৰ সৌজন্যত আজি চানমাৰীৰ চৰকাৰী পেঞ্চনাৰ সন্থাৰ প্ৰেক্ষাগৃহত আজি গোপীনাথ বৰদলৈৰ জন্মবাৰ্ষিকী উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত বিশিষ্ট লেখক ময়ুৰ  বৰাই বৰ্তমানৰ প্ৰেক্ষাপটত গোপীনাথ বৰদলৈৰ প্ৰাসংগিকতাৰ কথা দোহাৰে।

০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উল আজহা কাইলৈ পালন কৰা হ'ব। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত উৎসাহ উদ্দীপনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কাইলৈ ঈদৰ নামাজৰ বাবে ঈদগাহসমূহ সজাই পৰাই তোলা হৈছে। সমাজত ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে কাইলৈ পুৱা ঈদৰ নামাজ পঢ়া হ'ব। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজ পঢ়িব। ঈদৰ সময়ত কোনো ঠাইতে যাতে অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি নহয় তাৰ বাবে জিলা প্ৰশাসনে আজি ঈদ সমিতি আৰু আৰক্ষীৰ সৈতে এখন  বৈঠকত মিলিত হয়। বিভিন্ন ঠাইৰ পৰা আহি কৰ্মসংস্থাপনৰ বাবে মহানগৰীত বসবাস কৰা বহুসংখ্যক লোকে ঈদ উপলক্ষে নিজ নিজ গৃহ চহৰলৈ যাত্ৰা কৰাৰ পৰিপ্ৰেক্ষিতত মহানগৰীৰ জালুকবাৰী, আদাবাৰী, আই এছ বি টিকে ধৰি বিভিন্ন স্থানত যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

০০০০

বিশ্বনাথত আজি আৰক্ষীৰ দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰক বিভাগে অভিযান চলাই জিলা আৱকাৰী বিভাগৰ উপ অধীক্ষকক উৎকোচ লোৱাৰ বাবে হাতে-লোটে আটক কৰে। উৎকোচ লোৱাৰ ক্ষেত্ৰত সহযোগিতা কৰাৰ বাবে একেটা কাৰ্যালয়ৰে কণিষ্ঠবল অভিজিত বৰুৱাকো আটক কৰে। এগৰাকী ব্যক্তিৰ পত্নীৰ নামত এখন ৱাইন বাৰৰ অনুমতি লাভ কৰাৰ পাছতে বাৰখন খোলাৰ হেতু উপ অধীক্ষকগৰাকীয়ে এক লাখ টকা উৎকোচ বিচাৰিছিল।   আৰক্ষীৰ দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰক বিভাগৰ দলটোৱে ধৃত দুয়োজনকে সোধা-পোচা অব্যাহত ৰাখিছে।

০০০০

মণিপুৰত আজি অসম ৰাইফলছৰ এটা দলে কুকি উগ্ৰপন্থীৰ এজন কেদাৰক আটক কৰে। ধৃত কেদাৰজন যোৱা বছৰ এজন মহকুমা আৰক্ষী বিষয়াৰ হত্যাকাণ্ডৰ লগত জড়িত আছিল। কুকি নেচনেল আৰ্মীৰ ধৃত কেদাৰজনক কামথেং গেংটে বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। উগ্ৰপন্থীজনৰ পৰা এটা নাইন এম এম পিষ্টল উদ্ধাৰ কৰা হয়। মণিপুৰ আৰক্ষীয়ে ইতিমধ্যে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

০০০০

ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হৈছে। ২০২৫-২৭ আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ হিচাপে আয়োজন কৰা এই টেষ্ট শৃংখলা ২০ জুনত আৰম্ভ হ'ব।

০০০০

সমাপ্ত